**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো ভাৰ্চুৱেল পদ্ধতিৰে আধাৰশিলা স্থাপন কৰিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি গোলাঘাট জিলাৰ নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। নুমলীগড় শোধনাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এচিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদুৎ উৎপাদন কৰিব পৰা যাব বুলি প্ৰকল্পটোৰ সঞ্চালকে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। এই সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে নুমলীগড়ত কালি এখন সংবাদমেল সম্বোধন কৰে। তেওঁ কয়, যে ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পই বছৰি ৫ লাখ টন বাঁহৰ পৰা ৫০ হাজাৰ টন ইথানল উৎপাদন কৰিব। ইয়াৰ ফলত প্ৰকল্পটো স্বনিৰ্ভৰশীল শক্তি প্ৰতিষ্ঠান হিচাপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে। ৭ হাজাৰ ২৩১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া পলিপ্ৰপিলিন প্ৰকল্পত জাৰ্মান প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হ'ব আৰু ইয়াত ৭৫ হাজাৰ কৰ্মদিন সৃষ্টি হ'ব বুলি তেওঁ কয়। এই প্ৰচেষ্টাই ভাৰতৰ স্বচ্ছ শক্তি উৎপাদনৰ প্ৰতিশ্ৰুতিক বাস্তৱায়িত কৰাৰ লগতে বছৰি ১ মিলিয়ন টন কাৰ্বন-ডাই-অক্সাইড নিৰ্গমন হ্ৰাস কৰিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত অনুৰাধা শৰ্মা পুজাৰীয়ে সংকলন কৰা ড° ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখন উন্মোচন কৰে। নিজৰ ভাষণত তেওঁ কিংবদন্তি শিল্পী ড০ ভূপেন হাজৰিকাৰ অবিস্মৰণীয় প্ৰতিভাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ লগতে অসম চৰকাৰক এই সুন্দৰ অনুষ্ঠানৰ আয়োজনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ এই অনুষ্ঠানত উপস্থিত হৈ ধন্য হৈছে বুলি মত প্ৰকাশ কৰে। সংগীতত ভাৰতৰ স্বপ্নক সংযোজন কৰা, গীতেৰে প্ৰৱহমান পবিত্ৰ গংগাৰ পৰা ব্ৰহ্মপুত্ৰ লৈ লহৰ তোলা শিল্পীগৰাকীয়ে মানুহৰ মনৰ সংবেদনশীলতাক প্ৰতিভাত কৰি তুলিছিল বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শিল্পীগৰাকীৰ শতবৰ্ষ উদযাপনৰ জৰিয়তে চৰকাৰে মহান শিল্পীগৰাকীৰ গীত আৰু বিশ্বজনিন চিন্তাধাৰাক বিশ্বৰ প্ৰতিজন মানুহৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে বুলি তেওঁ মন্তব্য কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দু, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা, ভূপেন হাজৰিকাৰ পৰিয়ালৰ সদস্যসকলৰ লগতে অসমৰ সামাজিক

সংস্কৃতিক জগতৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত এহেজাৰ ২০০ গৰাকী শিল্পীয়ে বিশ্ববন্দিত শিল্পীগৰাকীৰ কণ্ঠৰ ১৪টা গীতৰ বচা বচা অংশ সমস্বৰে পৰিবেশন কৰি নান্দনিক পৰিবেশৰ সৃষ্টি কৰে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মিজোৰামৰ বেইৰবী-চাইৰাং নতুন ৰে'লপথত ৩ খন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। ইয়াৰ লগে লগে মিজোৰাম দেশৰ ৰে'ল মানচিত্ৰত সংযুক্ত হৈছে। চাইৰাঙৰ পৰা যোৱানিশা যাত্ৰা কৰি ৮ বাজি ১০ মিনিটত হোজাইত উপস্থিত হোৱা ৰে'লখনে চালক আৰু যাত্ৰীসকলক হোজাই ষ্টেচনত সম্ভাষণ জনোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ উপস্থিত থাকে। একেদৰে নিশা গুৱাহাটীৰ পৰা যাত্ৰা কৰিবলগীয়া দৈনিক এক্সপ্ৰেছ্ এই ৰে'লখন সাংসদ বিজুলী কলিতা মেধিয়ে ফ্লেগঅফ কৰে।

উল্লেখযোগে যে চাইৰাং-দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ্, চাইৰাং-গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ্ আৰু চাইৰাং-কলকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ্ ৰে'লগাড়ীয়ে দেশৰ অন্যান্য অংশৰ লগতে মিজোৰামক সংযুক্ত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিব।

oooooo

ডিব্ৰুগড় জিলাৰ ডিব্ৰু মহাবিদ্যালয়ত আয়োজিত কবিতা পাঠ অনুষ্ঠানত কালি ডিব্ৰুগড়, তিনিচুকীয়া আৰু লখিমপুৰৰ দুকুৰিৰো অধিক কবিয়ে কবিতা পাঠ কৰি শৰতক আদৰণি জনায়। কবি ড০ কল্যাণ ভূঞাই আদৰণি ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানত অধ্যক্ষ ড০ ৰঞ্জন চাংমায়ে মহাবিদ্যালয়খনৰ তৰফৰ পৰা সকলোকে সম্ভাষণ জনায়। প্ৰকল্প ৰঞ্জন ভাগৱতীয়ে আগধৰা অনুষ্ঠানটিত তিনিচুকীয়াৰ হিতেন শৰ্মা, ড০ গোপাল চন্দ্ৰ হাজৰিকা, ডাঃ ৰণজিৎ কুমাৰ বৰুৱাকে ধৰি প্ৰায় দুকুৰি কবিয়ে স্বৰচিত কবিতাৰ লগতে আন আন কবিতা পাঠ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে।

oooooo

আন্তঃৰাষ্ট্ৰীয় চিত্ৰশিল্পী পৰেশ ভূঞাই কালি উত্তৰ লখিমপুৰ প্ৰেছ্ ক্লাবত নিয়মীয়া মাহটোৰ অতিথি অনুষ্ঠানত অংশগ্ৰহণ কৰি অন্তৰংগ আলাপত মিলিত হয়। বিশ্বৰ বিভিন্ন দেশত তেওঁৰ চিত্ৰ প্ৰদৰ্শন কৰাৰ অনুভৱ আৰু অভিজ্ঞতাৰ বিষয়ে এই অনুষ্ঠানত শিল্পীগৰাকীয়ে সবিস্তাৰে বৰ্ণনা কৰে। উত্তৰ লখিমপুৰ প্ৰেছ্ ক্লাবৰ সম্পাদক কৰুণা কৃষ্ণ নাথে আঁত ধৰা অনুষ্ঠানত চিত্ৰশিল্পী পৰেশ ভূঞাই পঢ়া-শুনাতকৈ ছবি আঁকা আৰু মূৰ্তি সজা কামত অধিক ৰাপ থকা বুলি জনায়। লখিমপুৰৰ স্বাস্থ্য বিভাগৰ পৰা যোৱা বছৰ অৱসৰ গ্ৰহণ কৰা চিত্ৰশিল্পীগৰাকীয়ে জাপান, ৰাছিয়া, চীন, ইজিপ্ত, বাংলাদেশ, ভিয়েটনাম, উজবেকিস্তান আদি প্ৰায় ৯খন দেশত চিত্ৰ অংকন আৰু প্ৰদৰ্শন কৰি বিপুল সমাদৰ লাভ কৰিছিল।

oooooo

সমাপ্ত